জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮৬/২০২০

# লাচিত দিৱস উপলক্ষে মহাবীৰ লাচিত বৰফুকনলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## বীৰ লাচিতৰ সাহস, ত্যাগ, দেশপ্ৰেম, বীৰত্ব আৰু মূল্যবোধৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এখন নতুন অসম গঢ়াৰ বাবে আগবাঢ়ি আহিবলৈ ৰাজ্যৰ নতুন প্ৰজন্মলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৪ নৱেম্বৰ ঃ** লাচিত দিৱসৰ পবিত্ৰ দিনটোত আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ চৰকাৰী বাসভৱনত বীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিৱেদন কৰে। মহাবীৰ লাচিত বৰফুকনৰ সাহস, ত্যাগ, অবিস্মৰণীয় দেশপ্ৰেম আৰু বীৰত্বৰ কথা স্মৰণ কৰি তেওঁ দেখুৱাই যোৱা মূল্যবোধৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এখন নতুন অসম গঢ়াৰ বাবে আত্মনিয়োগ কৰিবলৈ ৰাজ্যখনৰ নতুন প্ৰজন্মলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ উদ্যোগত আজি ডিব্ৰুগড় জিলাৰ ধেমেচীত বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস উদ্‌যাপনৰ আয়োজন কৰা হৈছিল যদিও প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত ঘোষিত তিনিদিনীয়া ৰাজ্যিক শোক পালনৰ বাবে এই কাৰ্যসূচী বাতিল কৰি মুখ্যমন্ত্ৰী সোণোৱালে নিজৰ চৰকাৰী বাসভৱনতে মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ**
২৪/১১/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in